হে আদম সন্তান! যেতিয়াই তুমি মোক আহ্বান কৰিবা তথা মোৰ প্ৰতি আশা ৰাখিবা, তেতিয়াই মই তোমাক ক্ষমা কৰি দিম, তোমাৰ অৱস্থা যিটোৱে নহওক কিয়, সেইটোৰ প্ৰতি মই ভ্ৰূক্ষেপ নকৰোঁ।

আনাছ ইবনু মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ "মহান আল্লাহে কৈছেঃ হে আদম সন্তান! যেতিয়াই তুমি মোক আহ্বান কৰিবা তথা মোৰ প্ৰতি আশা ৰাখিবা, তেতিয়াই মই তোমাক ক্ষমা কৰি দিম, তোমাৰ অৱস্থা যিটোৱে নহওক কিয়, সেইটোৰ প্ৰতি মই ভ্ৰূক্ষেপ নকৰোঁ। হে আদম সন্তান! তোমাৰ গুনাহ যদি আকাশলংঘী হয়, ইয়াৰ পিছতো যদি তুমি মোৰ
ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা তেন্তে মই তোমাক ক্ষমা কৰি দিম। মই কোনো ভ্ৰূক্ষেপ নকৰোঁ। হে আদম সন্তান! তুমি যদি পৃথিৱীৰ সমান গুনাহ লৈ মোৰ ওচৰত এনেকুৱা অৱস্থাত উপস্থিত হোৱা যে, তুমি মোৰ সৈতে কাকো অংশীদাৰ স্থাপন কৰা নাই তেন্তে মই তোমাক
সেই পৃথিৱীৰ সমানেই ক্ষমা দান কৰিম।" [হাছান] [(তিৰমিজী)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মহান আল্লাহে হাদীছে কুদছীত কৈছে যে, হে আদম সন্তান! তুমি যেতিয়ালৈকে মোক আহ্বান কৰিবা আৰু মোৰ প্ৰতি আশা ৰাখিবা আৰু নিৰাশ নহ'বা, তেতিয়ালৈকে মই তোমাৰ গুনাহবোৰক ঢাকি ৰাখিম আৰু কোনো ভ্ৰূক্ষেপ নকৰাকৈয়ে ক্ষমা কৰি দিম। যদিও এই গুনাহ কোনো কাবীৰা গুনাহে নহওক কিয়। হে আদম সন্তান! তোমাৰ গুনাহেৰে যদি আকাশ আৰু পৃথিৱীৰ মাজত থকা মহাশূন্য ভৰি যায়, ইয়াৰ পিছতো যদি তুমি মোৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা, তেন্তে মই তোমাৰ সকলো গুনাহ ক্ষমা কৰি দিম, গুনাহৰ আধিক্যৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নকৰোঁ। হে আদম সন্তান! তুমি যদি মৃত্যুৰ পিছত পৃথিৱীৰ সমান গুনাহ লৈ উপস্থিত হোৱা, আৰু তুমি যদি শ্বিৰ্ক নকৰা অৱস্থাত মৃত্যুবৰণ কৰি থাকা, তেন্তে মই তোমাৰ সেই পৃথিৱীৰ সমান গুনাহৰ পৰিবৰ্তে, সেই অনুপাতে ক্ষমা দান কৰিম। কাৰণ মই অসীম ক্ষমাশীল। মই শ্বিৰ্কৰ বাহিৰে সকলো গুনাহ ক্ষমা কৰি দিওঁ।

http://sunnah.global/hadeeth/as/show/5456